৪) গোস্বামী, প্রিয়ম (২০১২) ঃ দ্য হিষ্টৰী অৱ আছাম, ফ্রম ইয়াণ্ডাবু টু পার্টিচন, ১৮-২৬-১৯৪৭, অৰিয়েণ্ট ব্লেকচয়ান, কলিকতা।

৫) আচার্য্য এন এন (২০০৭) ঃ এ ব্রিফ হিষ্টৰী অব আচাম ফ্রম আৰলিয়েষ্ট টাইম, ওমচনচ পাব্লিকেচন, নতুন দিল্লী।

১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গুৱাহাটী বিদ্যালয়ক ১৮৬৫ চনত কটন কলেজিয়েট হিচাপে উন্নীত কৰা হৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ফ্রেডৰিক উইলিয়াম চুডমার্চন কটন মহাবিদ্যালয়ৰ প্রথম অধ্যক্ষ আছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ অৰুণোদয় প্রথম অসমীয়া মাহেকীয়া সংবাদ আলোচনী।

৫ নং প্রশ্নৰ উত্তৰ ঃ অসম মিহিৰ অসমৰ প্রথম সাপ্তাহিক কাকত।

৬ নং প্রশ্নৰ উত্তৰ ঃ চন্দ্রকুমাৰ আগৰৱালা জোনাকীৰ প্রথম সম্পাদক আছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ জগন্নাথ বৰুৱাই যোৱহাট সার্বজনীন সভা প্রতিষ্ঠাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

৮ নং প্রশ্নৰ উত্তৰ ঃ হৰিবিলাস আগৰৱালাই তেজপুৰ ৰায়ত সভা গঠন কৰিছিল।

৯ নং প্রশ্নৰ উত্তৰ ঃ ১৮৮৬ চনত নগাঁও ৰায়ত এচোচিয়েছন গঠন কৰা হৈছিল।

১০ নং প্রশ্নৰ উত্তৰ ঃ ১৮৪৯ চনত অসমীয়া ল'ৰাৰ মিত্র প্রকাশন কৰা হৈছিল।

১১ নং প্রশ্নৰ উত্তৰ ঃ হেমচন্দ্র বৰুৱাৰ দ্বাৰা হেমকোষ সম্পাদনা কৰা হৈছিল।

২.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কোন চনত কটন কলেজ স্থাপন কৰা হৈছিল?

প্রশ্ন ২ ঃ অৰুণোদয়ৰ প্রথম সম্পাদকজনৰ নাম লিখা?

প্রশ্ন ৩ ঃ উপনিৱেশিক অসমৰ দুটা সামাজিক, ৰাজনৈতিক সংগঠনৰ নাম লিখা।

প্রশ্ন ৪ ঃ কোন চনত অসমৰ বিদ্যালয় আৰু আদালতত অসমীয়া ভাষাৰ পুনৰ প্রয়োগ কৰা হৈছিল?

(খ) চমু প্ৰশ্ন (চমুটোকা লিখা) (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

(ক) উপনিবেশিক অসমত প্ৰাথমিক শিক্ষা।

(খ) আনন্দৰাম ঢেকিয়াল ফুকন।

(গ) উপনিৱেশিক অসমত আধুনিক শিক্ষাৰ বিকাশত জেনকিন্সৰ ভূমিকা।

(ঘ) উপনিবেশিক অসমৰ কাকত

(ঙ) অসমীয়া মধ্যবিত্ত শ্ৰেণী

(চ) আমেৰিকান ব্যাপ্তিষ্ট মিছন

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ উপনিবেশিক অসমত আধুনিক শিক্ষাৰ আৰম্ভণিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ উপনিবেশিক অসমত ছপা মাধ্যমৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ জন্ম আৰু বিকাশৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ উপনিবেশিক অসমত ভাষাৰ বিৰ্তকৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***